# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 09-12-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

০০০০০

১। ভাৰতৰ যিকোনো ধৰণৰ প্ৰত্যাহ্বান অতিক্ৰম কৰা ক্ষমতা আছে আৰু 'বন্দে মাতৰম'ৰ অনুপ্ৰেৰণাই এই শক্তিক অধিক সবল কৰি তোলা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে।

২। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ অধীনত ৬৭২ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰে।

৩। ভাৰত আৰু চিলিৰ বিস্তৃত অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তিৰ বাবে নতুন দিল্লীত চতুৰ্থলানি আলোচনা অনুষ্ঠিত হয়।

৪। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে আজি নতুন দিল্লীত ২০২৩-২৪ বৰ্ষৰ বাবে হস্তশিল্পী বঁটাসমূহ প্ৰদান কৰিব।

*আৰু*

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ প্ৰথম খেলখন আজি কটকত অনুষ্ঠিত হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ যিকোনো ধৰণৰ প্ৰত্যাহ্বান অতিক্ৰম কৰা ক্ষমতা আছে আৰু 'বন্দে মাতৰম'ৰ অনুপ্ৰেৰণাই এই শক্তি অধিক সবল কৰি তোলা বুলি মত প্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে 'বন্দে মাতৰম' কেৱল এটি গীত নহয়, ই জনসাধাৰণক নিজৰ কৰ্তব্যৰ প্ৰতি সজাগ কৰি তোলাৰ এক প্ৰেৰণাশ্ৰুত। তেওঁ কয়, যে 'বন্দে মাতৰম' হৈছে সমগ্ৰ দেশৰে প্ৰেৰণাৰ উৎস, যি দেশৰ জনসাধাৰণৰ আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ সপোন সাকাৰ কৰাৰ ক্ষেত্ৰত অন্যতম সহায়ক। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কালি লোকসভাত ৰাষ্ট্ৰীয় গীত 'বন্দে মাতৰম'ৰ ডেৰশ বছৰপূৰ্তি উপলক্ষে দিয়া ভাষণত এইদৰে উল্লেখ কৰে। ১৮৭৫ জনত বংকিমচন্দ্ৰ চেটাৰ্জীয়ে এই ৰাষ্ট্ৰীয় গীত ৰচনা কৰিছিল। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে লগতে কয় যে 'বন্দে মাতৰম' মন্ত্ৰই স্বাধীনতা আন্দোলনতো প্ৰভাৱান্বিত কৰিছিল। এই বিষয়টো লৈ আলোচনা কৰিবলৈ পোৱাটো দেশবাসীৰ লগতে সদনৰ প্ৰতিগৰাকী সদস্যৰ বাবে গৌৰৱ আৰু সৌভাগ্যৰ বিষয় বুলিও তেওঁ উল্লেখ কৰে। শ্ৰীমোদীয়ে কয় যে বন্দে মাতৰমৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱাটো গৌৰৱৰ মহৎ অধ্যায় পুনৰ প্ৰতিষ্ঠাৰ এটা সুযোগ। তেওঁ কয় যে 'বন্দে মাতৰমে' স্বাধীনতা সংগ্ৰামীসকলৰ সপোন বাস্তৱায়িত কৰাৰ বাবে জনসাধাৰণক অনুপ্ৰেৰণা যোগায়। প্ৰধানমন্ত্ৰীয়ে কয় যে 'বন্দে মাতৰম'ৰ শতবাৰ্ষিকীত সমগ্ৰ দেশত জৰুৰী অৱস্থা বলৱৎ হৈ আছিল। যি সময়ত ৰাষ্ট্ৰীয় গীতটোৰ শতবাৰ্ষিকী পৰম উৎসাহেৰে উদযাপন কৰিব লাগিছিল সেই সময়ত সাংবিধানিক প্ৰমূল্যক অবজ্ঞা কৰা হৈছিল আৰু যিসকলে দেশৰ বাবে জীৱন পণ কৰিছিল সেইসকলকো কাৰাগাৰলৈ প্ৰেৰণ কৰা হৈছিল বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। বংকিম চন্দ্ৰ

চট্টোপাধ্যায়ৰ এই অবিস্মৰণীয় সৃষ্টিয়ে ঔপনিবেশিক ব্ৰিটিছ চৰকাৰৰ বংগ বিভাজন নীতিকো ওফৰাই দিবলৈ জনসাধাৰণক উৎসাহিত কৰিছিল বুলি তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে 'বন্দে মাতৰম' হৈছে মহান সাংস্কৃতিক পৰম্পৰাৰ আধুনিক প্ৰকাশ। তেওঁ জনসাধাৰণৰ সৈতে এই গীতটিৰ গভীৰ সম্পৰ্কই দেশৰ স্বাধীনতা যুদ্ধৰ যাত্ৰাক প্ৰতিফলিত কৰে। বন্দে মাতৰমে স্বাধীনতা আন্দোলনক শক্তি আৰু পথ প্ৰদৰ্শন কৰিছিল বুলিও তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে ১৯৩৭ চনত 'বন্দে মাতৰম'ৰ বিৰোধিতা কৰা মুছলিম লীগৰ ৰাজনীতিৰ বিষয়েও উল্লেখ কৰে। শ্ৰীমোদীয়ে বন্দে মাতৰমক আপোচ কৰাৰ বাবে কংগ্ৰেছক সমালোচনা কৰে। বিতৰ্কত অংশ লৈ কংগ্ৰেছ সাংসদ গৌৰৱ গগৈয়ে কয় যে বংগ দেশৰ বহু লেখক আৰু কবিৰ গীতে স্বাধীনতা আন্দোলনক অনুপ্ৰাণিত কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ ভাষণত বিষয়টোত ৰাজনৈতিক ৰহন সনা বুলি শ্ৰীগগৈয়ে অভিযোগ তোলে। সমাজবাদী পাৰ্টীৰ নেতা অখিলেশ যাদৱে কয় যে বন্দে মাতৰমে জনসাধাৰণক একত্ৰিত কৰিছিল। বন্দে মাতৰমৰ আবেগে সাম্প্ৰদায়িক ৰাজনীতিক প্ৰত্যাখ্যান কৰিছিল বুলিও তেওঁ উল্লেখ কৰে। আলোচনাৰ আৰম্ভণিতে লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আলোচনাৰ পাতনি মেলি ঔপনিবেশিক শোষণৰ বিৰুদ্ধে ভাৰতে যুঁজ দিয়াৰ কঠিন সময়ত বন্দে মাতৰমে আশাৰ সঞ্চাৰ কৰিছিল বুলি উল্লেখ কৰে।

কালিৰ এই আলোচনাত বিজেপিৰ সাংসদ বাঞ্চুৰী স্বৰাজ, সমাজবাদী পাৰ্টিৰ ইক্ৰা চৌধাৰী, জে ডি ইউ লাভলী আনন্দ, বিজেপিৰ সাংসদ সম্বিত পাত্ৰ, টি এম চিৰ কল্যাণ বেনাৰ্জীয়ে অংশগ্ৰহণ কৰে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই এই আলোচনাত ৬৬ জন সদস্যই অংশগ্ৰহণ কৰি বুলি জানিবলৈ দিয়ে। তেওঁ কয়, যে সমগ্ৰ দেশে 'বন্দে মাতৰম' সন্দৰ্ভত কিদৰে মাজনিশালৈকে সকলোৱে একেলগে আলোচনা কৰিবৰ বাবে সদনত একগোট হৈ তাক প্ৰত্যক্ষ কৰে। তেওঁ এনেধৰণৰ গঠনমূলক আলোচনাই সংসদত ঠাই পাব বুলিও আশা প্ৰকাশ কৰে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ অধীনত ৬৭২ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত এটা অনুষ্ঠানত বিভাগটোৰ অধীনৰ ৭১ খন পৌৰসভাৰ ৬৬৪ গৰাকী প্ৰাদেশিকীকৃত পৌৰ কৰ্মচাৰী আৰু নগৰ তথা গাঁও পৰিকল্পনা সঞ্চালকালয়ৰ ৮ গৰাকী সহকাৰী সঞ্চালকক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। এই নিযুক্তিৰ জৰিয়তে অসম চৰকাৰে প্ৰদান কৰা সৰ্বমুঠ নিযুক্তিৰ সংখ্যা ১ লাখ ৪১ হাজাৰ ৮৬৬ লৈ বৃদ্ধি পাইছে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয়, যে পৌৰসভাৰ কৰ্মচাৰীসকলে চাকৰিৰ প্ৰাদেশিকীকৰণৰ বাবে দীৰ্ঘদিনে চৰকাৰক আবেদন জনাই আহিছিল যদিও পৌৰ নিগম তথা পৌৰসভাৰ সমিতিসমূহ প্ৰত্যক্ষভাৱে চৰকাৰৰ অন্তৰ্গত নোহোৱাত আৰু পৌৰ নিগম আৰু পঞ্চায়তক চৰকাৰী ব্যৱস্থাৰ তৃতীয় খলপ বুলি গণ্য কৰাৰ বাবে সেয়া সম্ভৱ হৈ উঠা নাছিল। অলপতে অসম বিধানসভাত অসম পৌৰ নিকায় কৰ্মচাৰী প্ৰাদেশিকীকৃত আইন ২০২৫ গৃহীত হোৱাত এই অসুবিধাসমূহ আঁতৰ হয়।

০০০০০

ভাৰত-চিলিৰ বিস্তৃত অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তিৰ বাবে ৰাষ্ট্ৰ দুখনে নতুন দিল্লীত চতুৰ্থলানি আলোচনা সমাপ্ত কৰিছে। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি, ভাৰত আৰু চিলিৰ প্ৰতিনিধি দলৰ মাজৰ আলোচনা যথেষ্ট নিবিড় আৰু গঠনমূলক হোৱা বাবে আলোচনাৰ অধীনৰ বিষয়সমূহৰ উল্লেখনীয় অগ্ৰগতি হৈছে। দ্বিপাক্ষিক অৰ্থনৈতিক সম্পৰ্ক

অধিক শক্তিশালী কৰাৰ কৌশলগত তাৎপৰ্য স্বীকাৰ কৰি উভয় পক্ষই CEPA অৰ্থাৎ বিস্তৃত অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তিৰ আলোচনা সময়মতে সমাপ্ত কৰাৰ ক্ষেত্ৰত নিজৰ দৃঢ় প্ৰতিশ্ৰুতি পুনৰবাৰ প্ৰকাশ কৰে। দুয়ো দেশে বিশেষভাৱে এইক্ষেত্ৰত গুৰুত্ব দিয়ে যে, CEPA-ই-দ্বিপাক্ষিক বাণিজ্য বৃদ্ধি, অৰ্থনৈতিক সহযোগিতা সুদৃঢ়কৰণ, বজাৰত প্ৰৱেশৰ সুবিধা বৃদ্ধি আৰু দুয়োখন দেশৰ ব্যৱসায়ৰ বাবে নতুন সুযোগ সৃষ্টি কৰাত বিশেষ ভূমিকা পালন কৰিব। কালি এই চুক্তিৰ অংশ হিচাপে বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ূষ গোৱেলে চিলিৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ কোষাগাৰ উপ-সচিব ক্ল'ডিয়া ছানহুয়েজাৰ সৈতে মত বিনিময় কৰে।

00000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে আজি নতুন দিল্লীত ২০২৩-২৪ বৰ্ষৰ বাবে হস্তশিল্পী বঁটাসমূহ প্ৰদান কৰিব। প্ৰতিষ্ঠিত তথা দক্ষ হস্তশিল্পীসকলক সন্মানিত কৰাৰ বাবে এই বঁটাসমূহ প্ৰদান কৰা হয়। বস্ত্ৰ মন্ত্ৰ্যালয়ে এটা বিবৃতিযোগে প্ৰকাশ কৰা অনুসৰি এই প্ৰতিষ্ঠিত ৰাষ্ট্ৰীয় সন্মান অসাধাৰণ নিপুণতা প্ৰদৰ্শন কৰা শিল্পীসকললৈ  আগবঢ়োৱাৰ লগতে ভাৰতৰ বৈচিত্ৰ্যময় হস্তশিল্পৰ ঐতিহ্যক সংৰক্ষণ আৰু প্ৰচাৰ কৰাৰ উদ্দেশ্যে চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাকে প্ৰতিফলিত কৰে। এই বঁটা প্ৰদান অনুষ্ঠানত কেন্দ্ৰীয় বস্ত্ৰমন্ত্ৰী গিৰিৰাজ সিং আৰু বস্ত্ৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা উপস্থিত থাকিব।

00000

কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ৰাম মোহন নাইডুৱে শেহতীয়াকৈ বিমান যাত্ৰাত দেখা দিয়া সংকটৰ বাবে ইণ্ডিগ' এয়াৰলাইন্স সম্পূৰ্ণৰূপে দায়ী বুলি মত প্ৰকাশ কৰিছে। তেওঁ বিমান পৰিবহণ সংস্থাটোৱে নিজৰ কৰ্তব্য পালনত বিফল হয় বুলিও অভিযোগ কৰে। ডি ডি নিউজক দিয়া এটা বিশেষ সাক্ষাৎকাৰত শ্ৰীনাইডুৱে কয়, যে বিমানৰ যাত্ৰা বাতিল আৰু পলম হোৱাৰ ক্ষেত্ৰত ইণ্ডিগ'ৰ পাইলট আৰু নিজা চালক দলক উপযুক্তভাৱে নিয়োজিত কৰাত বিফল হোৱাতোৱেই মূল কাৰণ। তেওঁ কয়, যে চৰকাৰৰ ওপৰত এই পৰিস্থিতিৰ ফলত কোনো ধৰণৰ হেঁচাৰ সৃষ্টি হোৱা নাই আৰু চৰকাৰে সদায় সকলো বিমান পৰিবহণ সংস্থাকে সমান ব্যৱহাৰ কৰি আহিছে।

00000

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ উদ্যোগত আজি নতুন দিল্লীত পঞ্চম অটল বিহাৰী বাজপেয়ী সোঁৱৰণী বক্তৃতা অনুষ্ঠিত হ'ব। মন্ত্ৰালয়ে এটা বিবৃতিযোগে প্ৰকাশ কৰা অনুসৰি, ছিংগাপুৰৰ প্ৰধানমন্ত্ৰীৰ জ্যেষ্ঠ উপদেষ্টা টিঅ' ছি হেনে এই কাৰ্যসূচীত 'পৰিৱৰ্তিত বিশ্বত চিৰস্থায়ী অংশীদাৰিত্ব' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰিব।

উল্লেখযোগ্য যে, ৰাষ্ট্ৰনেতা তথা দূৰদৰ্শী প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীলৈ শ্ৰদ্ধা জনাই আৰু ৰাষ্ট্ৰ নিৰ্মাণ তথা বৈদেশিক পৰিক্ৰমা মন্ত্ৰী আৰু প্ৰধানমন্ত্ৰী হিচাপে ভাৰতৰ বৈদেশিক নীতি গঢ় দিয়াত তেখেতৰ অৱদানক সুঁৱৰি এই বাৰ্ষিক সোঁৱৰণী বক্তৃতা শৃংখলাৰ আয়োজন কৰা হৈছে।

00000

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ প্ৰথম খেলখন আজি কটকৰ বাৰাবতী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। সূৰ্য কুমাৰ যাদৱে ভাৰতীয় দলটোক নেতৃত্ব দিব। খেলখনত হাৰ্ডিক পাণ্ডিয়া আৰু শুভমন গিলে অংশগ্ৰহণ কৰিব বুলি

অধিনায়ক যাদৱে নিশ্চিত কৰিছে। খেলখনৰ পূৰ্বে হোৱা এখন সংবাদমেলত ভাৰতীয় অধিনায়কগৰাকীয়ে টি-২০ বিশ্বকাপ ২০২৬ৰ বাবে ২০২৪ৰ পিছৰে পৰা ভাৰতে প্ৰস্তুতি আৰম্ভ কৰা বুলি জানিবলৈ দিয়ে। ভাৰতীয় দলৰ টি-২০ শৃংখলাৰ উপ-অধিনায়ক শুভমিন গিল বি চি চি আইয়ে মুকলি কৰা এটা ভিডিঅ'যোগে প্ৰয়োজনীয় চিকিৎসাৰ অন্তত বৰ্তমান সুস্থ হৈ উঠা বুলি প্ৰকাশ কৰিছে। শৃংখলাৰ আন কেইখন খেল ক্ৰমে অহা বৃহস্পতিবাৰে চণ্ডীগড়ৰ মুল্লানপুৰত, তৃতীয়খন খেল ধৰমশালাত, চতুৰ্থখন খেল লক্ষ্ণৌত আৰু আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত ফাইনেল খেল অনুষ্ঠিত হ'ব। টি-২০ শৃংখলাৰ পূৰ্বে অনুষ্ঠিত এদিনীয়া আন্তঃৰাষ্ট্ৰীয় খেলত ভাৰতে ২-১ ফলাফলত শৃংখলা দখল কৰিছিল।

ooooo

সমাপ্ত